**সকলোকে জড়িতকৰণ: মাধ্যমিক স্তৰৰ ইংৰাজী শিক্ষণত**

| **অসমীয়া (হিন্দী আৰু ইংৰাজীৰ সৈতে)** |
| --- |
| কমেন্টেৰী:<br><br>মাধ্যমিক শ্ৰেণীৰ এই ইংৰাজী পাঠটোত শিক্ষকগৰাকীয়ে সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিবলৈ যত্ন কৰিছে।<br>পাঠটো আৰম্ভ হয় এজনে আনজনক এটা সংক্ষিপ্ত দফা শ্ৰুতলিপি দিয়াৰে। ইয়ে তেওঁলোকক ইংৰাজী কোৱা আৰু লিখাৰ সকলোখিনি সুবিধা প্ৰদান কৰে।<br><br>**শিক্ষাৰ্থী ১**: All the... wonderful things... that surround us in... this... world.<br><br>**শিক্ষাৰ্থী ২**: And mountains and glaciers and all the other wonderful things that surround us in this world!<br><br>কমেন্টেৰী:<br><br>শিক্ষকগৰাকীয়ে সকলো ছাত্ৰ-ছাত্ৰীক জড়িত কৰোৱাৰ উপায়বোৰৰ এটা হৈছে তেখেতে দিয়া ইংৰাজী নিৰ্দেশাৱলীবোৰ ছাত্ৰ-ছাত্ৰীসকলে বুজি পোৱাটো নিয়মীয়াকৈ হিন্দীতে পৰীক্ষা কৰাটো। শ্ৰেণীত কোনো এজন ছাত্ৰ-ছাত্ৰীয়েই যাতে পিছপৰি ৰৈ নাযায়, এই ক্ৰিয়া-কলাপে সেইটো নিশ্চিত কৰে।<br><br>শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ চৰিত্ৰ সলনা-সলনি কৰিবলৈ কৈছে।<br><br>**শিক্ষয়িত্ৰী**: Exchange your role. Means? कोई बताएगा exchange करना - role को? क्या मतलब?<br><br>**শিক্ষাৰ্থী ৩**: Ma'am, एक कापी ma'am, हमको दे दिया। हमने इनको किताब दे दिया। ये ma'am बोलेंगी, हम लिखेंगे।<br><br>**শিক্ষাৰ্থী ৪**: That has ever been written. Only we must have eyes to see, and ears to hear!<br><br>**শিক্ষাৰ্থী ৫**: And...<br><br>**শিক্ষাৰ্থী ৬**: But the world... itself... is the...<br><br>কমেন্টেৰী:<br><br>শ্ৰেণীটোত এজন ছাত্ৰ আছে যাৰ হাত নাই, কিন্তু সি তাৰ ভৰি দুখন ব্যৱহাৰ কৰি লিখিবলৈ শিকি আছে আৰু লগতে সি সকলোবোৰ ক্ৰিয়া-কলাপত জড়িত হৈ থাকে।<br><br>শিক্ষাৰ্থী ৫ ৰ সাক্ষাৎকাৰ:<br><br>মই মোৰ চুবুৰীয়া ল'ৰা-ছোৱালীকেইটাই পঢ়া-শুনা কৰা দেখিছিলোঁ আৰু ভাবিছিলোঁ, মই যদি ভৰিৰে লিখিব পাৰিলোহেঁতেন? সেইবাবে মই তেনেকৈ অভ্যাস কৰিবলৈ ধৰিছিলোঁ আৰু অলপদিনৰ পাছত, মই লাহে লাহে লিখিবলৈ সমৰ্থ হৈছিলোঁ। বিদ্যালয় কৰ্তৃপক্ষয়ো মোক পঢ়া-শুনাত বহুত সহায় কৰিছিল আৰু মই আজি ইয়াত বহুত আনন্দৰে আছোঁ। |

কমেণ্টেৰী:

পৰৱৰ্তী পাঠটোত, স্থানীয় গাঁৱৰ এখন মেলাৰ বিষয়ে এখন আলোচনীত এটা প্ৰবন্ধ লিখিবলৈ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সাজু কৰিছে। কোনোবাই তেওঁৰ প্ৰবন্ধৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব নেকি, সেই কথা সুধি তেখেতে আৰম্ভনি কৰিছে।

**শিক্ষাৰ্থী ৫**: हम लोग कहीं गए, कोई अच्छी चीज़ देखी; मेला या shopping करने गए; उस चीज़ के बारे में हमने देखा, वहाँ से लौट कर आये; फिर उस चीज़ के बारे...

কমেণ্টেৰী:

আৰু তেখেতৰ এই প্ৰশ্নৰ প্ৰতি সঁহাৰি জনোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা কৰিছে।

**শিক্ষয়িত্ৰী**: Sit down.

Yes, he is right!

কমেণ্টেৰী:

লক্ষ্য কৰক, শিক্ষকগৰাকীয়ে যিমান সম্ভৱ হয় সিমান অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগাবৰ বাবে তেওঁলোকৰ ধাৰণাত আৰম্ভনীৰ বাক্যাংশ যোগ দিবলৈ কিমান মানসিক পৰিশ্ৰম কৰিছে।

**শিক্ষয়িত্ৰী**: And you have to tell, whatever you had done in your village fair. Whatever you have seen, and what you think about the village fair - you can tell me...

কমেণ্টেৰী:

আপুনি শিকাবলগীয়া এটা পাঠৰ বিষয়ে চিন্তা কৰক। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে পূৰ্ণ অংশগ্ৰহনৰ সুবিধা প্ৰদান সুনিশ্চিত কৰিবলৈ আপুনি সেই পাঠ কেনেকৈ উন্নত কৰি ল'ব?